জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪৭/২০২০

# বিশিষ্ট সাংবাদিক সনৎ কুমাৰ কৈৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১১ নৱেম্বৰ ঃ** বিশিষ্ট সাংবাদিক সনৎ কুমাৰ কৈৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত সনৎ কুমাৰ কৈৰীয়ে ৰাজ্যখনৰ সংবাদজগতলৈ যি বৰঙনি আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত সনৎ কুমাৰ কৈৰীয়ে শিলচৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি হিচাপে সাংবাদিকসকলক একত্ৰিত কৰা তথা তেওঁলোকৰ কল্যাণৰ বাবেও বৰঙনি যোগাই গৈছে। এইগৰাকী বিশিষ্ট সাংবাদিকৰ বিয়োগ আমাৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সনৎ কুমাৰ কৈৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**১১/১১/২০২০**